# ভাৰত-চীন সীমা সম্পৰ্কীয় আলোচনা আৰু সহযোগিতা সম্বন্ধে কাৰ্য্যকৰী প্ৰক্ৰীয়া( Working Mechanism) বিষয়ত পঞ্চম লানি বৈঠক ।

ফেব্ৰুৱাৰী ১০,২০১৪

ভাৰত-চীন সীমা সম্পৰ্কীয় আলোচনা আৰু সহযোগিতা সম্বন্ধে কাৰ্য্যকৰী প্ৰক্ৰীয়া বিষয়ৰ পঞ্চম লানি বৈঠক নতুন দিল্লীত ১০ ফেব্ৰুৱাৰী ২০১৪ তাৰিখে অনুষ্ঠিত হয় ।ভাৰতীয় প্ৰতিনিধিৰ দলটোক যুটীয়া সচিব( পূৱ এছিয়া) শ্ৰী গৌতম বাম্বাৱালে নেতৃত্ব দিয়ে । ভাৰতীয় দলটোত বহি:পৰিক্ৰমা মন্ত্ৰনালয়ৰ, সুৰক্ষা আৰু গৃহ মন্ত্ৰনালয়ৰ প্ৰতিনিধি সকলৰ লগতে ভাৰতীয় সেনা বাহিনী আৰু ভাৰত-তীব্বত সীমা পুলিচ বাহিনীৰ সদস্য সকলে অংশ গ্ৰহন কৰে । চীনা প্ৰতিনিধিৰ দলটোক নেতৃত্ব দিয়ে সীমা আৰু সাগৰীয় পৰিক্ৰমা বিভাগৰ সঞ্চালক প্ৰধান শ্ৰী ওউয়াং য়্যুজিঙে ।প্ৰতিনিধি দলটোত আছিল বৈদেশিক পৰিক্ৰমা মন্ত্ৰনালয় আৰু বিদেশ মন্ত্ৰনালয়ৰ আৰু ৰাষ্ট্ৰীয় সুৰক্ষাৰ প্ৰতিনিধি সকল ।

দুয়োপক্ষৰ আলোচনা স্পষ্ট, গাঠনিক আৰু আগলৈ চোৱা বাতাবৰনৰ মাজত হৈছিল ।ভাৰত আৰু চীনৰ সীমা সম্পৰ্কে বিশেষকৈ পশ্চিম খণ্ডৰ সীমা সন্দৰ্ভত পৰ্য্যালোচনা কৰা হয় ।সীমা সুৰক্ষা সহযোগিতা চুক্তিৰ (বি এ ডি এ) কাৰ্য্যত ৰূপায়ন,অতিৰিক্ত বিশ্বাস বৰ্দ্ধনৰ পদক্ষেপ গ্ৰহন আৰু শান্তি আৰু নিৰিবিলি বাহাল ৰাখিবলৈ অতিৰিক্ত ব্যৱস্থা গ্ৰহন কৰা বিষয় সমুহো আলোচনা কৰা হয় ।

ষষ্ঠ লানি কাৰ্য্যকৰী প্ৰক্ৰিয়া (Working Mechanism) বৈঠক দুয়োপক্ষৰ বাবে সুবিধা অনুসৰি সময়ত অনুষ্ঠিত কৰা হব ।

নতুন দিল্লী

ফেব্ৰুৱাৰী ১০,২০১৪